[19-HBPGKOW–M3S(O) 20M]

MA 3rd Semester (Old) Exam., 2019 (W)

ASSAMESE

[MAS (S3) 10 (Lang)]

(ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ব্যাকৰণৰ সংজ্ঞা দিয়ক।

(b) মনোভাষাবিজ্ঞান বুলিলে কি বুজে?

(c) শব্দৰ অৰ্থ পৰিৱৰ্তনৰ ক্ষেত্ৰত আলংকাৰিক প্ৰয়োগৰ আভাস দিয়ক।

(d) 'ইণ্ডো-ইউৰোপীয়' ভাষাগোষ্ঠীৰ নামকৰণ কিদৰে হ'ল?

(e) ফ্ৰেন্জ বোআছ কোন?

(f) Charles F. Hockett-এ Linguisticsৰ সংজ্ঞা কেনেদৰে দিছে?

(Turn Over)

2. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) ''নৃতাত্ত্বিক ভাষাবিজ্ঞান হ'ল ভাষা অধ্যয়নৰ বিভিন্ন নৃতাত্ত্বিক দৃষ্টিকোণ।'' নৃতাত্ত্বিক ভাষাবিজ্ঞানৰ অধ্যয়নৰ পৰিসীমা সম্পৰ্কে এটি টোকা লিখক।

(b) 'অৰ্থ পৰিৱৰ্তনৰ ধাৰা'কেইটিৰ উদাহৰণেৰে সৈতে পৰিচয় দিয়ক।

(c) ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত ইণ্ডো-ইৰাণীয় শাখাটিৰ বিভিন্ন উপশাখাৰ চমু পৰিচয় দাঙি ধৰক।

(d) ভাষাবিজ্ঞানৰ বিভিন্ন ধাৰাসমূহৰ এটি সাধাৰণ পৰিচয় দাঙি ধৰক।

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ভাষাতত্ত্বৰ ধাৰা সম্পৰ্কে এটি আভাস দিবলৈ যত্ন কৰক।

(b) ভাষাবিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখাৰ এটি সাধাৰণ আলোচনা আগবঢ়াওক।

(c) ৰূপতত্ত্ব বুলিলে কি বুজে? অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ অন্তৰ্গত বিভিন্ন দিশসমূহ সামৰি আলোচনা কৰক।

(d) টোকা লিখক :

(i) ছেমীয় আৰু হেমীয় শাখা

(ii) আমেৰিকা আৰু আফ্ৰিকাৰ আদিম ভাষা

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ভাষা অধ্যয়নৰ প্ৰসঙ্গত ব্যাকৰণৰ ধাৰাটোৰ ভূমিকাৰ বিষয়ে বহলাই আলোচনা কৰক।

(b) উপভাষাবিজ্ঞান কি? সমাজ ভাষাবিজ্ঞান আৰু উপভাষাবিজ্ঞানৰ সম্পৰ্ক বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰক।

(c) বাক্যতত্ত্ব বুলিলে কি বুজে? বাক্যতত্ত্বৰ সকলো দিশ সামৰি উদাহৰণেৰে সৈতে আলোচনা কৰক।

(d) দ্ৰাবিড় ভাষাগোষ্ঠী ভাৰতবৰ্ষৰ কোন কোন ঠাইত প্ৰচলিত? এই ভাষাগোষ্ঠীৰ প্ৰধান শাখা কেইটা আৰু কি কি? প্ৰধান শাখাৰ ভাষাসমূহৰ বিষয়ে লিখক।

(e) ফাৰ্ডিনাণ্ড দ্য চ্যুৰৰ পৰিচয় দাঙি ধৰি তেওঁ আগবঢ়োৱা ভাষা সূত্ৰসমূহৰ বিষয়ে আলোচনা কৰক।

★★★